লৌহিত্য সাহিত্য সেতু : সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত অৰ্ধবাৰ্ষিক দ্বিভাষিক ই-আলোচনী
বৰ্ষ : ১, সংখ্যা : ১, জুলাই-ডিচেম্বৰ, ২০২০

# চৰকাৰ সলনি হ'ল

মূল (হিন্দী) : আশা প্ৰভাত
অনুবাদ : ড° গায়ত্ৰী শৰ্মা

বৰষুণ পুনৰ আহিছিল । আকাশত স্বচ্ছন্দভাৱে লম্ফজম্ফ কৰি থকা ক'লা ডাৱৰসমূহ একগোট হৈ যিকোনো সময়তেই ভূপতিত হ'বলৈ সাজু । একগোট হয়েই মানুহবোৰ পলাবলৈ ধৰিছিল, সমস্ত সাঁচতীয়া, মাল আচবাব, লাম-লাকটু লৈ নামনি অঞ্চলৰ পৰা মানুহবোৰ আশ্ৰয়ৰ সন্ধানত ওলাল । কোনো উচ্চস্থান, পথৰ কাষ, ৰে'লৰে প্লেটফৰ্ম, ৰে'লৰ ষ্টেচনত উপেক্ষিত হৈ পৰি থকা ৰে'লৰ দবা নাইবা কোনো মথাউৰি ।

এওঁলোক কোনো যাযাবৰ নহয় । একেঠাইত বাস কৰিব নোৱাৰা ঘূৰিফুৰা জনজাতিও নহয়, যাৰ উচ্ছেদ হোৱাৰো কোনো পীড়া নহয় । যিয়ে স্থায়ীবাসৰ সুখ ভোগ কৰে, তাৰহে অস্থায়ীত্বই মন পীড়িত কৰে । সিহঁতে বুজিছিল কিন্তু দৰ্শকৰ দৰে সমস্ত প্ৰত্যক্ষ কৰিবলৈ বাধ্য আছিল । এনেয়ো প্ৰত্যেক বছৰেই ৰামপুৰ আৰু তাৰ ওচৰে পাজৰে থকা উচ্ছেদিত সকলৰ এয়া অত্যন্ত সাধাৰণ কথা হৈ পৰিছিল ।

সেইসকলে তেওঁলোকৰ দুখ কিয় নুবুজিব ? পীড়া বা যাতনা । তেওঁলোকোতো এওঁলোকৰ মাজৰেই একোজন আছিল? লুণ্ঠিত, উৎখাতিত । সভ্য ভাষাত স্থানান্তৰিত, পিছে এই নিৰ্দোষ যাতনাই সভ্যভাষা ক'ত বুজি পাইছিল, বুজোৱা বঢ়োৱা আৰু ফুচুলনিত ক'ত কম হৈ আছিল ? সকলো সময়তে নিজৰ উপস্থিতিৰ বোধত কেকাই আছিল । সদায় ভাগ্যক ধিয়াই আছিল ।

সেয়াটো হ'বলগীয়া আছিলেই । যি এতিয়া সকলোৰে ভাগ্য । সেই সকলোবোৰ দেখি শুনি তেওঁলোকৰ আঘাত পুনৰ নতুন হৈ উঠিল । যেন চোকা অস্ত্ৰৰেহে হানিছে কোনোবাই । এটি হুমুনিয়াহ ওলাল, "হে ঈশ্বৰ ই কেনে ন্যায় তোমাৰ ?"

তেওঁলোকৰ মাজৰেই এজন হোৱা সত্বেও তেওঁৰ স্থিতি সামান্য বেলেগ । প্ৰথমবাৰ এই বান্ধলৈ আহোতে ইয়াৰ পৰা যোৱাই নাছিল । বুঢ়া শৰীৰত এতিয়া আৰু ইমান সামৰ্থ ক'ত যে প্ৰতি বছৰেই কান্ধত লাম-লাকটু লৈ ঘূৰি ফুৰিম আশ্ৰয়ৰ সন্ধানত, খুদকন বিচাৰিম । নীড় সাজিম । বানপানী আহে আৰু সকলো লৈ যায় । এই ভঙাপতাৰ খেল তেওঁৰ পচন্দৰ নাছিল সেয়েহে থাকি গ'ল এই বান্ধতেই । তেওঁৰ দৰে আৰু বহুতো শক্তিহীন লোক থাকি গ'ল । অক্ষম, অসহায় আছিল তেওঁলোক । থাকি গ'ল তেওঁলোকৰ দৰে ইয়াতেই, যি তেতিয়া জনশূন্য আছিল । ঘাঁহ-বনেৰে ভৰপূৰ, নিতান্তই নিৰ্জন । একমাত্ৰ এই আঁহতৰ গছ যি অপৈনত অৱস্থাত আছিল । সেই সময়ত তেওঁলোকৰ উপস্থিতিৰ প্ৰতি নিৰ্বিকাৰ আছিল । সেই সময়ত এই বিষয়ত কোনেও বিশেষ মন দিয়া নাছিল । নিজকে কিছুদিনৰ অতিথি বুলি ভবাসকলৰ ইয়াৰ গছ বা অন্য বস্তুৰ লগত কি

সম্পৰ্ক, যাৰ প্ৰতি কানসাৰ দিব? মানুহে কোৱাৰ দৰে তেওঁলোকতো ইয়াত বেছিদিন থাকিবলগীয়া নাছিল ।

কিন্তু তেওঁলোকৰ কথা ভবা । সপোন আৰু আশাপূৰণৰ সময়খিনি সুৰসাৰ মুখৰ দৰেই বাঢ়ি গৈ আছিল । দিন, মাহ বাঢ়ি গৈ আছিল । এতিয়া ঠাইখনেই নহয়, ইয়াৰ প্ৰত্যেকটো বস্তুৰ প্ৰতিয়েই সকলোৰে বান্ধোন অনুভৱ হৈছিল । এই আঁহত গছজোপাৰ প্ৰতিও যি এতিয়া কিশোৰৱস্থা পাইছে, তাৰেই তলত ইটা জমা কৰি মাটিৰ বেদী বনাই দিয়া হৈছিল । ব্ৰহ্মবাবা, ভৈৰৱ আৰু সপ্তমাতৃকা ।

মানুহ য'তেই নাথাকক কিয়, নিজৰ সংস্কাৰ কেতিয়াও পাহৰিব নালাগে, নৱল বাবাই এইদৰে কৈছিল । গতিকে সেই বেদীৰ পূজা অৰ্চনা আৰম্ভ হৈ গৈছিল । গাঁৱৰ পশ্চিম দিশৰ আঁহতগছৰ তলত বিৰাজমান ব্ৰহ্মবাবা, সপ্তমাতৃকা আৰু ভৈৰৱবাবাকো বানপানীৰ প্ৰচণ্ড সোঁতে সাঙুৰি লৈ গ'ল । ই দেৱ-দেৱীকো নেৰিলে । মাটিৰ বেদীৰ ফালেও নজৰ দিলে । তেওঁৰ চকুলো ওলাব ধৰিলে । 'কি ভাবিছে খুৰা" মাতত চঁকখাই তেওঁ বৰ্তমানলৈ ঘূৰি আহিল । ৰামখেলাবন থিয় হৈ আছিল । 'নাই, এইবোৰ দেখি অতীতলৈ ঘূৰি গৈছিলোঁ মাত্ৰ?" তেওঁ জনসমাগমৰ ফালে ইংগিতৰে দেখুৱাই ক'লে । প্ৰত্যেক বছৰেই এনে ৰাম কাহিনী ঘটে । এই কথাত ইমান মূৰ ঘমাই লাভ নাই । চৰাইৰ বাহ ভঙা আৰু বাহ সজানো কি ।

"এইটো কওঁক, ব্লক অফিচলৈ যোৱা হৈছেনে নাই ?"

'যাব লাগিব বাবা ।..."

"তেন্তে ৰাতিপুৱা সাজু হৈ থাকিব । ভিৰৰ মাজত সোমাই পৰিলে সৰ্বনাশ হব । তাৰোপৰি ঘেঁহু শেষ হৈ যোৱাৰ ভয়টো আছেই । আপুনি জানে নহয়?"

'আৰু এনে কি কাম আছে থিত নালাগে । জীৱনটো এইখিনিতেই চোঁচৰাই লৈ ফুৰিছোঁ ব্যস্ততাৰ অপেক্ষাত ।" ক'লে তেওঁ । ৰামখেলাৱনে একো বুজি নাপালে । মূৰটো অকমান লৰাই সি গুচি গ'ল ।

যোৱাবাৰৰ ব্লক অফিচৰ ঘটনা মনলৈ আহিল । মনটো সেমেকি উঠিল । সেইদিনাখনো তেওঁ কেন্দ্ৰটোত দেৰিকৈ উপস্থিত হৈছিল । ঘেঁহু শেষ হ'বলৈ ধৰিছিল । চাৰিওফালে চিঞৰ বাখৰ । দৌৰা ধপৰা । অৱশিষ্ট ঘেঁহুৰ প্ৰত্যেকেই নিজৰ অংশখিনি বিচাৰিছিল । সিহঁত অক্ষম, ভিৰৰ মাজত থেলা-হেঁচা কৰিব নোৱাৰে । ভাবিলে চাহাবৰ ওচৰলৈ গৈ অনুৰোধ কৰিলে কিবা পোৱা যাব । সিহঁত কাৰ্য্যালয়ৰ ফালে আগবাঢ়ি গৈছিল । কাৰ্য্যালয়ৰ ভিতৰতো যথেষ্ট ভিৰ ।

'ইমান ঘেঁহু বিলোৱা হ'ল, কিন্তু এই ভিৰ এতিয়াও আছে ।"- কোনোবাই চাহাবক ক'লে । "এই বিলাকৰ আৰু কোনো কামো নাই । কেই কিলোমান ঘেঁহুৰ কাৰণে দিনটো ৰখি থাকিব, কামচোৰ, এদিনৰ মজুৰিয়েই এৰি দিব কিন্তু বিনাপইচাই পোৱা খাদ্যখিনি নিদিয়ে ।"- কোনোবাই ক'লে, সকলোৱে হো হোকৈ হাঁহিবলৈ ধৰিলে । তাৰ মগজুত এই কথাই হাতুৰীৰ দৰে আঘাত কৰিছিল, বিবেক তাৰ দংশিত হ'ল । চকুযুৰি চকুলোৰে ভৰি পৰিল । অন্যৰ কথা তেওঁ নাজানে, নিজে কিন্তু অভাৱগ্ৰস্ত । কামচোৰ নহয় । এই কেই কিলোমান ঘেঁহুৰ গুৰুত্ব আৰু প্ৰয়োজন তেওঁতকৈ আৰু বেছি কোনে জানিব । আবেলিতেই পত্নীয়ে কৈছিল 'ঘৰত

এমুঠি খাদ্যও নাই, পইচা খুজি কেইদিন চৌকা জ্বলিব ।'

সকলোকে চিঞৰি কবলৈ ইচ্ছা কৰিছিল যে তেওঁ কামচোৰ অথবা ভিক্ষাৰী নহয় । এসময়ত খেতিয়ক আছিল, আদ্যন্ত কৃষক । কিন্তু স্বৰ ডিঙিতেই ৰৈ গ'ল । তেওঁৰ এনে লাগিছিল যে দৰিদ্ৰতা কেৱল অপমান কৰিবলৈয়ে আহে । মানুহ মাটিত মিলি যায় । মূৰ তুলি থাকিব নোৱাৰে । অপমানৰ আঘাতে মগজুত ধৰিছিল । হৃদয়ত যন্ত্ৰনা অনুভৱ হৈছিল আৰু চকু দুটি চকুলোৰে ভৰি পৰিছিল ।

এতিয়া আৰু তেওঁ খেতিয়ক নহয়, বিবশ মজদুৰ, যিয়ে কেতিয়াবা ভিক্ষাৰী আৰু কেতিয়াবা কামচোৰ বুলি গালিও শুনিব লাগে । খেতিয়কৰ পৰা মজদুৰ হ'বলৈ বেছি পৰ লগা নাছিল । কোনোবাই জুৱা বা তাচত নিজৰ সৰ্বস্ব - খেতিপথাৰ, ঘৰবাৰী, মালবস্তু, সকলো হাৰি নিজকে ধিক্কাৰ দি ধৈৰ্য্য ধৰে । লাজত আত্মহত্যা কৰে । মৰণকাতৰ যন্ত্ৰণাৰ পৰা নিস্তাৰ পোৱাহেঁতেন যিয়ে ভালদৰে জীৱলৈও নিদিয়ে, মৰিবলৈও নিদিয়ে, এয়াতো ওপৰজনৰ প্ৰহাৰ ।

ৰাতিৰ ভিতৰতে বাগমতীয়ে সকলো উদৰস্থ কৰিছিল । কাকো সুবিধা নিদিয়াকৈ । তেওঁৰ দৰে হাজাৰ জনৰ এনে দশাই হৈছিল । "কোপনস্বভাৱা, চঞ্চলা বাগমতীয়ে নিজৰ পথত কোনো বাধা সহ্য কৰা নাছিল । নিজৰ মতত থকাজনে কেতিয়াও এটা পথত থিৰেৰে থাকিব নোৱাৰে । উচ্ছৃংখলৰ দৰে পথ সলনি কৰি থাকে," শুনিবলৈ পোৱা গৈছিল ।

সৰু সুৰা কপটযোজনাৰ তায়েই সাক্ষী আছিল । কিন্তু তেওঁৰ এতিয়া অনুভৱ হৈছিল তাইৰ উদণ্ডতাৰ প্ৰকোপ । নিজৰ ঘৰবাৰী হেৰুওৱাৰ যন্ত্ৰণাত চকু ভৰি আহিল, সিক্ত হোৱা চকুযুৰিৰ দৰেই বাৰে বাৰে অন্তৰত এটা চিন্তাই উক্ দিয়ে - কিয় সিহঁত জীয়াই আছে । সিহঁতো যদি প্ৰৱল ধাৰাত উটি গ'লহেঁতেন, ভালেই হ'লহেঁতেন । সেই সকলৰ লগতেই যিসকল উটি গৈ এই দুখৰ পৰা অব্যাহতি পাইছে । কেইবাবাৰো নিজৰ চিন্তাক সাকাৰৰূপ দিবলৈ তৎপৰ হৈছিল ।

ডাঙৰজনী ছোৱালীয়ে কান্দি উঠিছিল- 'কিয় আপুনি মৰিবলৈ ইচ্ছা কৰিছে? ধনহে গৈছে । মা, আমি আছোঁ, যাৰ হাত ভৰি সম্পূৰ্ণ বিনষ্ট তেৰোঁ মৰাৰ কথা চিন্তা নকৰে, ভিক্ষা খুজি জীয়াই থাকে । আপোনাৰ নিজৰ প্ৰতি নাথাকিলেও, আমাৰ প্ৰতিও আপোনাৰ মোহ নাইনে?" মৌন হৈ গৈছিলোঁ ক'বলৈ বিচাৰিছিলোঁ,- "এয়াটো তোমালোকৰ প্ৰতি মোহেই, যাৰ কাৰণে জীৱনটোক ক্ৰুছবিদ্ধৰ দৰে কান্ধত কঢ়িয়াই জীয়াই আছোঁ ।"

"প্ৰণাম খুৰা" কাৰোবাৰ স্বৰ আছিল । "কোন?" - আচৰিত হৈ তেওঁ সুধিলে । প্ৰথম দৃষ্টিত চিনি পোৱা নাছিল ।

"খুৰা মই ৰামপ্ৰকাশ"

'থিক আছে, তুমিহে? সকলো কুশল মংগলনে?" অভ্যাসবশতঃ সুধিব লাগে, সুধিলে । পিছত তেওঁৰ এনে লাগিল । সৌজন্যসূচক শব্দও কেতিয়াবা অৰ্থহীন হৈ যায় । এই দুৰ্ঘোৰ বিপদত ই একমাত্ৰ ধেমালিহে? তেওঁলোকেও জানে কি কুশল মংগল হ'ব বা হয় ।

'আপুনিতো খুৰা দেখিয়েই আছে । কোনোমতেহে জীয়াই আছোঁ ।" সি মনে মনে থাকিল । পত্নী আৰু সন্তানেৰে সৈতে ৰামপ্ৰকাশ

আগবাঢ়ি গ'ল । ঠাই পোৱাটোও প্ৰয়োজন । ভৰি গ'লে ভোকে-পিয়াহে ইফাল-সিফাল ঘূৰি ফুৰিব লাগিব ।

জেষ্ঠ্যসকলে কৈছিলঃ সন্তাপ বা বিপদ কৈ নাহে, সেইনিশাটো ধ্বংসৰ আছিল । কিন্তু সেই দুৰ্ঘটনা হঠাৎ ঘটা নাই । কোৱাসকলৰ মতে খুন্দা মাৰি মাৰি বাগমতীৰ প্ৰচণ্ড ঢৌৱে বান্ধটোক দুৰ্বল কৰি পেলাইছিল । নিশাৰ দ্বিতীয় প্ৰহৰ আছিল হ'বলা, যেতিয়া ৰামপুৰ বান্ধটো ভাঙিছিল । কেইবাফুট ওখ ঢৌৰে আহিছিল পানীৰ ধাৰা প্ৰলয়ৰ ৰূপ ধৰি সকলো সামৰি গুচি গ'ল । এই ধাৰাৰ পৰিধিত প্ৰত্যেকটো বস্তুৱেই, একোৱেই সাৰি যোৱা নাছিল । ৰাতিপুৱা সেই ধাৰাৰে হিলদল ভাঙি বাগমতী পাৰ হৈ গৈছিল । উন্মত্ত হস্তিনীৰ দৰে সকলো নিৰ্মূল কৰিছিল । চাৰিওফালে পানীয়েই পানী । তাইৰ পথত অহা গাঁও, ঘৰ, গছ-গছনি, বয়-বস্তু ৰাতিৰ ভিতৰতে ক'ত ক'তয়ে সিচঁৰতি কৰিছিল আৰু বৈ আছিল | বিশাল আৰু অতি গভীৰ বাগমতীৰ নতুন ধাৰা ।

এতিয়া তাইৰ সৌভাগ্যই নে দুৰ্ভাগ্যই যে তিনিদিন আগতেই পৰিয়ালৰ সৈতে শহুৰেকৰ ঘৰলৈ গুচি গৈছিল । শাহুৱেকৰ শ্ৰাদ্ধত । তাই বানপানীৰ খবৰ তাতেই পাইছিল । সেই সময়ত কথা বেছি গভীৰকৈ লোৱা নাছিল । ভাবিছিল বান্ধ ভাঙিছে । গাঁৱত আঠুলৈকে পানী আহিছে । এয়াতো সেই অঞ্চলৰ ভাগ্য । অলপ বৰষুণ হ'ল কি নাই বাগমতীৰ কৃশ উদৰ তলবল কৰিবলৈ ধৰে । কেতিয়াবাতো বৰষুণ নোহোৱাকৈয়ে বাগমতী ওফন্দি উঠে । তেতিয়া মানুহে কয় 'পাহাৰত বৰষুণ দিছে চাগৈ ।'

পাহাৰ মানে নেপালৰ পাহাৰ, তিব্বতৰ পাহাৰৰ পৰা নেপাল হৈ ভাৰতৰ সীমামূৰীয়া চহৰ সীতমঢ়ীৰ পশ্চিমফালেৰে বাগমতীৰ পথ । দীৰ্ঘপথ অতিক্ৰম কৰাৰ ক্লান্তিৰ বাবে কুপিতা বাগমতীৰ সাধাৰণ ক্ৰোধতো ভৈয়ামবাসীয়ে প্ৰায়েই সহিবলগীয়া হয় । সংবাদদাতাই বানৰ বিভীষিকাৰ যি খবৰৰ সৃষ্টি কৰিলে, সিঁহত হতভম্ব হ'ল । একমুহূৰ্তও তাত নৰ'ল । দৌৰি আহিছিল । পিছে পিছে ঘৈনীয়েকো আহিছিল । এনে আত্মা কঁপাই যোৱা ভয়ানক দৃশ্যও যে হ'ব, সেয়া চিন্তাৰো অগোচৰ আছিল ।

ক'ত আছিল সিহঁতৰ গাঁও, ঘৰ, খেতিপথাৰ, সকলো জলমগ্ন । এবাৰলৈও এইবোৰয়ে সঁচা বিশ্বাসো হোৱা নাছিল । এনে লাগিছিল যেন কোনো কাল্পনিক চলচ্চিত্ৰহে, নাইবা কোনো জিনে সমস্ত বসতি ছাই কৰি পেলাইছে নহ'লে কোনোবা দেৱী-দেৱতাৰ চমৎকাৰ । এবাৰ গাঁৱত প্ৰবচনত শুনিছিলো, প্ৰভু কৃষ্ণৰ লীলা । কিদৰে ৰাতিৰ ভিতৰতে সুদামাৰ ঘৰ অট্টালিকালৈ পৰিবৰ্তন কৰিছিল । কেৱল সুদামাৰ জুপুৰীয়েই অট্টালিকা হৈ যোৱা নাছিল, গোটেই গাঁওখনেই অট্টালিকাৰ হাবিত পৰিণত কৰাইছিল । মিত্ৰৰ ওচৰত সহায়ৰ আশা লৈ আহি, দুৱাৰমুখৰ পৰা খালীহাতে উভতি যোৱা সুদামাই নিজকে ধিক্কাৰ দি ব্যাকুল হৈ নিজৰ জুপুৰী আৰু পৰিয়াল বিচাৰি ফুৰিছিল, ক'লৈ গ'ল, ইয়াৰ গাঁও আৰু এইখিনি সময়ৰ ভিতৰতে এই মহল সমূহ ক'ৰ পৰা আহিল, এই কথা ভাবি আশ্বৰ্যান্বিত হৈছিল । তেওঁলোকো এই চমৎকাৰত আচৰিত হৈছিল । ৰাতিৰ ভিতৰত হোৱা এই ভীষণ সৰ্বনাশত সুদামাৰ নিচিনাকৈ তেওঁলোকেও পাগলৰ নিচিনাকৈ বিচাৰি

ফুৰিছিল নিজৰ কুটীৰৰ অস্তিত্ব । দুয়োটাৰে স্থিতি আৰু অন্তত বহুত পাৰ্থক্য আছিল । সুদামাই নিজৰ কুটীৰৰ ঠাইত অট্টালিকা পাইছিল । নিজৰ জুপুৰীও অন্তৰ্ধান হৈছিল । এইটোও চমৎকাৰেই কিন্তু বৰ ক্ৰূৰ আৰু দয়াহীন ।

পত্নীয়ে এই সকলোবোৰ দেখি সহ্য কৰিব নোৱাৰিলে মূৰ আচাৰি কান্দিবলৈ ধৰিলে । এপদ এপদকৈ গৃহস্থী গঢ়িছিল কাপোৰ, বাকচ, চাউল, শস্যৰে ভৰা কোঠা । দুটা বলধ গৰু সকলোবোৰ মাকৰ ঘৰলৈ যাওঁতে ওচৰ চুবুৰীয়াক চোৱাচিতা কৰিবলৈ দি গৈছিল । প্ৰতিবেশীৰে সৈতে সকলোবোৰ উটি গ'ল । এই সকলোবোৰ দেখিও নিজৰ প্ৰাণ বাহিৰ নোহোৱা বাবে নিষ্ঠুৰ প্ৰাণকেই চিঞৰি চিঞৰি ধিক্কাৰ দিছিল । এতিয়া এই জীৱনটোৰে আৰু কি কৰিব । তেৰোঁ সেই তাকেই ভাবি আছিল ।

কষ্টত উত্তেজিত পত্নীক তেওঁ কোনোমতে চম্ভালিলে । সাহস বঢ়াইছিল, বিপদে কেৱল আমাকেই মৰা নাই ৰধিয়াৰ মাক । কিবা নহয় কিবা প্ৰকাৰে সকলোকে আঘাত কৰিছে, যিয়ে বাচিছে হনাখোঁচা কৰিছে । সকলোৱে কান্দিছে । পীড়িত হৈ আছে । মূৰ আফালি আছে, মাটিত বাগৰি আছে । আলৈ-আথানি হৈছে । যোৱা তেওঁলোকক চোৱাগৈ । ধৈৰ্য্য ধৰা, ধৈৰ্য্য আৰু সন্তুষ্টিৰ বাহিৰে আমাৰ ওচৰত আৰু একো নাই । কৈ কৈ তেওঁ নিজেও উচুপি উঠিল । তেওঁক কন্দা দেখা পাই পত্নী অস্থিৰ হৈ পৰিছিল । কিন্তু তেওঁ নিজৰ চকুপানী মচি পেলাইছিল ।

আৰু মূৰ গুজিবলৈ এগজ মাটিৰ অন্বেষণত যিফালেই ভুক্তভোগীৰ দল গৈছিল, সেই ফালেই সিহঁতো অংশভাগী হৈ গৈছিল । সেই সমদল কিছু ৰৈছিল আৰু সিহঁতো থমকি ৰৈছিল । প্ৰথমতে, ঢেংগ ষ্টেচনত ৰৈ থকা মালগাড়ীৰ খালী ডবাসমূহ হৈছিল আশ্ৰয় স্থল । কিন্তু কিমান মানুহৰ আৰু কিমান দিন? আকৌ বিচাৰ খোচাৰ আৰম্ভ হ'ল । তাৰ পিছতহে পোৱা গ'ল বাগমতীৰ পুৰণি ধাৰাৰ পুৰণি বান্ধ, ভঙা চিঙা, ওখোৰা-মোখোৰা, ঘাঁহনিৰে ঢকা, এফালে আশ্ৰয়দাতা বাগমতী, আনফালে খেতিপথাৰ ধ্বংসকাৰী ।

তাতেই বসতি কৰিছিল লুণ্ঠিত লোকসমূহ । অস্থায়ী নিবাস সাজি, আপোনজনৰ শোক বুকুত বান্ধি, হুমুনিয়াহ কাঢ়ি । খালী পেটেৰে । ৰামপুৰ আৰু ওচৰ পাজৰে কেইবাখনো গাঁও বানে ধুৱাই লৈ যোৱা কথাটোও পিছতহে গম পোৱা গৈছিল । চৰকাৰী হিচাবত এশ পয়ষষ্ঠি ঘৰ বানৰ কবলত পৰিছিল । বেচৰকাৰী হিচাপত আৰু অধিক লোক বানৰ দ্বাৰা প্ৰভাৱিত হৈছিল । সেইসকলৰ পৰিয়ালত কোনোৱেই জীৱিত নাছিল । তেওঁলোকৰ খবৰ কোনে দিব? এইবোৰ শুনি মানুহবোৰ ভাঙি পৰিছিল । চহৰৰ পৰা কোনোবা আত্মীয় আহে খা-খবৰ ল'বলৈ আৰু ভয়ংকৰ খবৰ শুনায় যায় । আশ্বাসো দি যায় । চৰকাৰে অতি সোনকালেই বানে উৎখাতিত কৰা লোকসকলক আন স্থানত সুবিধা দিব । খেতিপথাৰো দিব, সাহাৰ্য্যৰ সামগ্ৰীও সোনকালেই আহি পাব ।

জীৱনটোও কেনে আচৰিত । আশাৰ বান্ধোনত বান্ধ খাই যায়, চিলাৰ দৰে, কিন্তু পেট বৰ জেদী, কোনো আশাক বা আশ্বাসক মানি নলয় । ক্ষুধাৰ জ্বলনে দপদপকৈ জ্বলে পেটত, এমুঠি অন্নৰ আশা নেদেখিলে ভোকৰ জ্বালা আৰু বাঢ়ি যায় ।

সাহাৰ্য্য পঠোৱা বা আনি দিয়া লোকসকলৰ এই ভোকত থকা লোকসকলৰ যাতনাৰ উমান ক'ত হ'ব । সকলোৱে নিজৰ গতিৰে ক'ব যেতিয়ালৈকে নিজ কষ্ট সহিবলগা নহয়, তেতিয়ালৈকে আনৰ দুখৰ উমান নাপায় ।

এই দুখীয়াসকলৰ পেটৰ জ্বালা নিবাৰণৰ কামো কৰিছিল বাগমতীৰ পানীয়েই আৰু সেই পানীৰ ধাৰাতেই পোৱা মাছ, কেঁকোৰা আৰু শামুকে । ওচৰৰ গাঁৱৰ দাতাসকলে নিজৰ সামৰ্থ্য অনুসৰি চিৰা, বুটৰ গুৰি, গুৰ আৰু নিমখ দি প্ৰাণৰক্ষা কৰিছিল ।

প্ৰথমতে, বান্ধক লৈ বহুত হৈ চৈ হৈছিল, চহৰৰ পৰা অহাসকল, দেখা-শুনা কৰিবলৈ অহাসকল, লিখা আৰু ছপোৱাসকলৰ আগমনত । চৰকাৰৰ ওচৰত তেওঁলোকৰ কষ্টদায়ক পৰিস্থিতি আৰু ওজৰ সমূহ জনোৱা সকলৰ বাবে । সদায় ফ্লাড-লাইটৰ চমকনিৰে ফটো তোলা হৈছিল। বিভিন্ন ধৰণৰ প্ৰশ্ন সুধিছিল। চকুলো আৰু শোকস্তব্ধ কণ্ঠৰে নিজৰ নিজৰ দুখৰ কাহিনী ক'বলৈ সকলোৱে উত্ৰাৱল হৈ আছিল । কৈছিলোঁ । আকৌ ভালদিন উভটি অহাৰ আশাত, অপেক্ষাৰ পথত চলিব ধৰে । কিন্তু সময়ৰ লগে-লগে সকলো শান্ত হৈ যায় । প্ৰিয়জনক হেৰুওৱা শোকগ্ৰস্ত ঘৰৰ দৰে । মানুহ আহে, আশ্বাস, সন্তোষ দিয়ে, সান্তনা দিয়ে 'চিন্তা নকৰিবা ভাই, আমি সকলো তোমাৰ দুখ কষ্টৰ লগত, শোকৰ লগত সমানেই ভাগী ।" পিছত কিন্তু দুখীয়াৰ দুখ থাকি যায় । সকলো অন্তৰ্ধান হয়, কেৱল নেপথ্যত সামাজিকতা বজাই ৰাখে । এনেকুৱাই হৈছিল, যৱনিকা পৰিছিল, নেপথ্যত সকলো লুকাই পৰিছিল। কেৱল মাত্ৰ বিধ্বস্ত সকলেহে নিজৰ ট্ৰেজেদীৰ সৈতে বান্ধত থাকি গৈছিল, নিজৰ যন্ত্ৰণাৰ লগত, চকুত ভাল দিন অহাৰ সপোন ৰচি ।

বান্ধলৈ অহাৰ কেইবামাহো পাৰ হ'ল, এদিন পত্নীয়ে মনে মনে কাণৰ কাষত ক'লে- "জানানে ৰাধাৰ পিতাক, ৰামৰখৰ দুয়োজনী ছোৱালীয়েই ৰেল গাড়ীৰে সদায় চহৰলৈ যায় । তাত তাই সকলো... নিজৰ দেহ... হে ভগৱান কেনেকৈ ক'ত ৰাধাৰ পিতাক?" শুনি তেওঁ পত্নীক জোৰেৰে ধমকি দিলে । 'কি যি তি কথা কৈছা !" বেলেগৰ পৰা শুনা কথাত সত্যতা নাথাকে । পত্নী মনে মনে থাকিল । কিন্তু তেওঁ জানিছিল এইটো সত্য। দেহ বিক্ৰীৰ বাদে অন্য কি বিকল্প থাকিব, সিহঁতৰ ওচৰত দেহ বেচিয়েই বিকলাঙ্গ পিতাক, নাবালক ভাইৰ পেট ভৰাব । মাকক বানপানীয়ে উটুৱাই লৈ গ'ল । বাকীবিলাকক এৰি গ'ল । জীয়াশৰ দৰে যন্ত্ৰণা ভোগ কৰিবলৈ । মতা মানুহে আৰ্জিবলৈ বাহিৰলৈ গুচি যায় । গৃহস্থী আৰু সন্তানৰ বোজা তিৰোতাৰ ওপৰত এৰি যায় । ইয়াতো যি সকল ডেকা তেওঁলোক গুচি যায় বাহিৰলৈ । থাকি গৈছিল কেৱল বুঢ়া-বুঢ়ী, তিৰোতা, শিশু আৰু ছোৱালীবোৰ । যিসকল বৃদ্ধ কিছু সক্ৰিয় আছিল ওচৰে-পাজৰে থকা ইটাৰ ভাটিত ইটা ইফাল সিফাল কৰাৰ কাম কৰিছিল । কামটো কিন্তু সাময়িক আছিল । কিছুমান তিৰোতায়ো ইটা জমাইছিল । তিৰোতাবিলাকে ওচৰে-পাজৰে ঘাঁহ কাটি আনিছিল । ছোৱালীবিলাকে ঘাঁহৰ দম লৈ গাড়ীৰে চহৰলৈ গৈছিল আৰু তাকে বেচি ৰাতি ঘূৰি আহিছিল । গাঁৱৰ যে এনে সংস্কৃতি হ'ব তাৰেই চিন্তা কৰিছিল । দেখি শুনি তেওঁৰ মন অসহনীয় পীড়াৰে ভৰি গৈছিল । ভাগ্য ভাল দুয়োজনী কন্যাৰ বিয়া হৈ গৈছিল, ন'হলে আজি কি হ'লহেঁতেন? এইবিলাক

দেখাৰ আগতেই বাগমতীৰ সোঁতত জাপ দিলেহেঁতেন ।

পেটৰ জুইক সিঁহতে বুজি পাইছিল, সেয়া কোনো নিয়মেৰে বুজাব নোৱাৰি । তাত কেৱল যিকোনো উপায়েৰে ইন্ধন লাগে । যেতিয়া ডেকা পুত্ৰৰ চিতা জ্বলাই অহাৰ পিছতো এই কষ্টই দপ্‌দপাই জ্বলে, কৰ্মহীন লোকৰ অন্তৰ আৰু অনিয়ন্ত্ৰিত হৈ যায় । সেইকাৰণেই সকলোৱে জানি বুজিও মৌন হৈ আছিল, মুখত জালেৰে বন্ধকৰা পোহনীয়া জন্তুৰ নিচিনাকৈ ।

সেই দুঃস্বপ্ন পাৰ হৈ যোৱাৰো বহুবছৰ হ'ল, থানবান হৈ যোৱাৰো । নিজৰ চালখনৰ, ঘৰখনৰ সপোন ৰচি-ৰচি আশাৰ মাকোও চূৰ্ণ হৈছিল । চকুৰ দৃষ্টিশক্তিও ক্ষীণ হৈছিল । কিন্তু একো স্তিমিত হোৱা নাছিল । ৰ'দ তাপ বৰষুণত পোক-পৰুৱাৰ দৰে জীৱন কটোৱাত অভ্যস্ত হৈ পৰিছিল । সিঁহত যেন দানা আগত দিবলৈ বন্ধা জীৱ-জন্তুহে । যাৰ চকুৰ পানীৰ ভাষা কোনেও নুবুজিছিল । যাৰ কিবা লবী আছিল । প্ৰশাসনৰ ওচৰত অগা-পিছা কৰি থকা লোক কোনোবা আছিল সেইসকলেহে কিবা পাইছিল । বাকী সকলো বিলাক বান্ধত থাকিবলৈ লৈছিল । নতুনকৈ স্থাপিত সকলৰ এক নতুন সংস্কৃতি গঢ় লৈ উঠিছিল, যিসকলৰ জাতিধৰ্ম কেৱল দ্ৰৰিদ্ৰতা । একেলগেই বসবাস কৰিছিল, ইকৰাৰে সৰু সৰু জুপুৰী সাজি, প্লাষ্টিকৰ তম্বু, টিনৰ ওপৰত ঘাঁহপাত দি ঢাকি, যিয়ে শীততাপ একোৱেই গুচাব পৰা নাছিল আনকি বৰষুণো । এই যাতনাৰ অনুভৱ, দেখাসকলে ক'ত অনুভৱ কৰিব পাৰিব । পাৰত থকাসকলৰ সোঁতত ডুবিবলৈ ধৰা ব্যক্তিৰ পীড়াৰ অনুভৱ হৈছেনে কেতিয়াবা ।

যোৱাবাৰৰ কোশীনদীৰ তাণ্ডৱৰ কথা সংবাদদাতা ৰমেসৰে শুনাইছিল । প্ৰায়েই চহৰৰ পৰা ভনীজোঁৱাইক লগ কৰিবলৈ আহে । নতুন খবৰ শুনি সকলো মৌন হৈ পৰিছিল । তৎক্ষানাৎ নিজৰ দিন সমূহলৈ মনত পৰিছিল । পুৰণি ঘাঁ পুনৰ নতুন হৈ পৰিছিল । পিছে যেতিয়া ৰমেসৰে ক'লে কোশীনদীৰ বানত বিধ্বস্ত লোকসকলক পুনৰ চৰকাৰে প্ৰতিস্থাপিত কৰিছে । আকৌ আপোনালোককো ঘৰ নিৰ্মাণ কৰি দিব । খেতি কৰিবলৈ পথাৰো দিব । লগে লগে তেওঁলোকৰ দুখ কপূৰৰ দৰে উৰি গৈছিল । সকলোৰে চেহেৰা উল্লাসিত হৈ পৰিছিল । এই সকলোবোৰ দেখি মানুহবোৰ আচৰিত হৈ গৈছিল এঠাইত ধ্বংসৰ ক্ৰন্দন, থিক সেই সময়তে আনফালে মৃতকৰ চকু আন্দোলিত কৰিব পৰা আনন্দ সম্ভৱনে? কিন্তু এনে হৈ আছিল ।

কোশীত অহা বিনাশকাৰী বানে পিছত য'ত হেজাৰ হেজাৰ লোকৰ মৃত্যু হৈছিল, হেজাৰজন গৃহহীন হৈছিল, বাগমতীয়ে উৎখাত কৰা লোকসকলৰ চকুত লৈ থকা সপোনবোৰ পুনৰ জগাই তুলিছিল । তেওঁলোকে দেখিছিল, বান্ধৰ ওপৰত বিভিন্ন চৰ্চাই পাখি লাগি ইফালৰ পৰা সিফাললৈ উৰি ফুৰিছিল । আকৌ মানুহৰ মনত আনন্দৰ উন্মাদ লহৰ উঠিছিল । পুনৰ মানুহবোৰৰ বিষাল গোৰোহা, আঠুত জীৱনী সঞ্চাৰ হৈছিল । আকৌ মানুহবোৰ কথা-বতৰাত ব্যস্ত হৈছিল । আশাৰ জোনাকী পৰুৱা হাতত লৈ মানুহবিলাকৰ

সকলো বস্তুৰেই ভাল লাগিবলৈ ধৰিছিল । কেৱল মাত্ৰ সেই ৰাতি অন্ন পেটলৈ যোৱা নাছিল ।

দিনৰ পাছত দিন পাৰ হৈ গৈছিল । খবৰ কৰিবলৈ কোনো অহা নাছিল। আনন্দৰ মুহূৰ্তৰ সেই তীব্ৰতা লাহে লাহে কমি আহিছিল। মানুহৰ অন্তৰ ধূসৰ হ'বলৈ আৰম্ভ কৰিছিল। নিৰাশাৰ ডাঠ কুঁৱলী, পুনৰ আহি পৰিছিল বাৰিষা । ইমানদিনে শিশুহঁত যৌৱন প্ৰাপ্ত হবলৈ ধৰিলে । মাজবয়সীয়া আৰু কিমান বুঢ়া মানুহ সিপুৰী পালেগৈ । সময়ৰ লগে লগে বহু পৰিবৰ্তন হ'ল। কেৱল সলনি হোৱা নাছিল সেই মানুখিনিৰ ভাগ্য, পানী আৰু বালিৰ বিস্তৃত মৰুভূমি, যাৰ তলত বিলীন হৈ গৈছিল সপোন আৰু আপোনজন।

ব্লক অফিচৰ পৰা উভতি আহি দেখিলে যে পত্নীয়ে মনোযোগেৰে বাৰাণ্ডা হালধীয়া মাটি আৰু গোবৰেৰে লেপি আছিল। বহুত দিনৰ মূৰত ঘৰৰ কাম ইমান মনোযোগেৰে কৰিছিল যিদৰে দহবছৰ আগতে কৰিছিল । তেতিয়া কেতিয়াবা ভৎৰ্সনা কৰিছিলঃ "ৰাধিয়াৰ মাক, মোৰ ওচৰত বহিবলৈ তোমাৰ অলপো সময় নাই।" তেওঁৰ ভৎৰ্সনাত এবাৰ চাই লাহেকৈ হাঁহি দিছিল। মন ভৰি উঠিছিল তাৰ। পত্নীৰ নিঃশব্দ মিচিকিয়া হাঁহিয়ে কিমান যে ইন্ধন যোগাইছিল, দিনৰাতি খেতিত কাম কৰিলেও কেতিয়াও ভাগৰ অনুভৱ কৰা নাছিল। তাইৰ মুখত আপত্তিৰ কোনো শব্দই নাছিল যাৰ দ্বাৰা মুখত বেকা হাঁহি জিলিকিব। ভাবি তেওঁ আচৰিত হৈছিল। এনে স্পন্দনহীন হয়নে জীৱন ক'ৰবাত । য'ত কোনো ব্যস্ততা নাই আৰু ব্যস্ততাৰ কোনো আশাও নাই । পাৰ হৈ যোৱা বছৰবোৰত পত্নীৰ ওঁঠত হাঁহি নেদেখিলেও চকুপানী অৱশ্যেই তেওঁ দেখিছিল। ইটা থওঁতে বাৰে বাৰে চকুপানী ভৰি আহিছিল। তাই মুখ লুকুৱাই জোৰা তাপলি মৰা আঁচলেৰে তৎক্ষণাৎ চকুপানী মচি পেলাইছিল । দেখিও তেওঁ নেদেখা ভাৱতেই থাকি গৈছিল । জানিছিল সান্তনাৰ শব্দই তাইৰ শুকান ঘাঁ নতুন কৰিব । গোটেই বছৰৰ শস্য চম্ভালি ৰখা গৃহিনীয়ে দৈনিক হাজিৰা কৰিব লগা হৈছে । যিয়ে কেতিয়াও নতুন চাউলৰ অন্নগ্ৰহণ নকৰিছিল পৰিয়ালকো নিদিছিল, এতিয়া যি পাই তাকেই খাই দিন পাৰ কৰিব লাগে । তেওঁৰ এনে লাগিছিল সুখৰ অনুভূতি বেছি নহ'লেহে মানুহৰ দুখ বেছি নহয়, যিয়ে সুখ ভোগ কৰিছে তেওঁ দুখৰ সামান্য জোকাৰণিতেই ভাঙি পৰে।

ছোৱালীকেইজনী বান্ধলৈ আহিব খোজে । কিন্তু সিহঁতৰ ঘৰৰ মানুহে আহিবলৈ দিবলৈ নোখোজে । জোৰকৈ কেতিয়াবা আহিলেও বেছি সময় থাকিব দিব নোখোজে । আহিলে কেতিয়াবা অলপ চাউল, আটা, দাইল, মাকৰ কাৰণে নতুন পুৰণি শাৰী দি যায় । ঘৰলৈ লৈ যাবলৈ জোৰ কৰে। পত্নীয়ে জোৰকৈ অমান্তি হয় জীয়েকৰ ঘৰত মাক-দেউতাক থাকক, মানুহবোৰে কয় এতিয়া ওপৰৰ জনৰ যি ইচ্ছা সেয়াই হ'ব । ছোৱালীৰ ঘৰত প্ৰাণ ওলাই গ'লে ! "হে প্ৰভু এনে নকৰিবা?" দুয়ো ওপৰলৈ কৰি অদৃশ্যজনলৈ প্ৰাৰ্থনা কৰোতে কাতৰ স্বৰত, সিহঁতৰ মাতটোও কাতৰ হৈ ৰৈ গৈছিল, সিহঁতৰ দুৰ্দশা আৰু উপায়বিহীনতাৰ বাবে ।

কি কথা ৰাধিয়াৰ মা, বাৰাণ্ডা মচি আছা? কিবা পূজা পাঠ কৰাবা নেকি? ঘেঁহুৰ বস্তাটো মূৰৰ পৰা নমাই খুঁটাটোত আঁউজি তেওঁ সুধিলে । পত্নীয়ে উলটি তেওঁৰ ফালে চালে, পিছত লাহেকৈ মিচিকিয়াই হাঁহিলে । তেওঁৰ শোটোৰা পৰা মুখখন

উজলি উঠিল । যিদৰে দহবছৰ পূৰ্বে তাইৰ কথাত উজলি উঠিছিল । নিমজ মুখখন । অত্যন্ত আচৰিত হ'ল তেওঁ । ৰাতিপুৱা আৰু দুপৰীয়াৰ মাজত এনে কি চমৎকাৰ ঘটিল, যিয়ে পত্নীৰ ভিতৰত আনন্দৰ বন্যা বোৱাই দিলে । ভিতৰৰ উল্লাস অবিহনে ওঁঠত কেতিয়াও হাঁহি ফুটিব নোৱাৰে । এই বয়সত উপস্থিত হৈ ইয়াৰ অনুভৱ তেওঁৰ হৈছিল ।

অ' ৰাধিয়াৰ পিতাক, কোনো পাঠ পূজা নহয় । পূজা-পাঠ সোনকালেই কৰাম । কথা এইটো যে ৰমেসৰে দুই তিনিজন মানুহৰ লগত আহিছিল । কৈছিল যে চৰকাৰে সোনকালেই আমাৰ পুনৰ সংস্থাপন কৰিব । নিজৰ ঘৰ দুৱাৰৰ সৈতে । কোশীত বিধ্বস্ত হোৱা লোকসকলক সংস্থাপন কৰাৰ দৰেই ।

"সঁচাকৈয়ে?" আচৰিত হৈ তেওঁ সুধিলে? 'অ' ৰাধিকাৰ দেউতাক । বিশ্বাস হোৱা নাই যদি বান্ধলৈ গৈ চাই আহা ।

তৎক্ষণাৎ তেওঁ জুপুৰীৰ পৰা ওলাই আহিল । গম পাইছিল ৰমেসৰেই ক'ব । পত্নীয়েও মাটি লিপা হাতখন লৈয়েই পিছে-পিছে গুচি আহিল ।

বান্ধৰ ওপৰত আকৌ ফুচফুচাই কোৱা সকলৰ গুনগুননি মৌমাখিৰ দৰে গুঞ্জিত হৈছিল । আলোচনাসমূহ পাখি লাগি উৰি আছিল বান্ধৰ ইপাৰৰ পৰা সিপাৰলৈ । পুনৰ মানুহবিলাকৰ দুখী অন্তৰসমূহ এঙামুৰি লৈ জাগি উঠিল আৰু নীলা চকুত বাগমতীৰ ঢৌৰ দৰেই আশাৰ ঢৌ আন্দোলিত হৈ আছিল । ৰমেসৰৰ লগত অহা মানুহ বিলাকক আগুৰি চাৰিওফালৰ পৰা ভিৰ হৈছিল । সকলোৰে নিমীলিত চকুত সপোন সজাই আছিল তেওঁলোকে । পত্নী আগবাঢ়ি গ'ল ।

"বাবা, আমাৰ সকলোকে চৰকাৰে সংস্থাপন কৰিবনে চৰকাৰে?" ৰমেসৰক সুধিলে ।

- অ' খুৰী, শুনি পত্নীয়ে তেওঁৰ ফালে চালে । 'মই কোৱা নাছিলোনে ৰাধিয়াৰ দেউতাক, কিমান দিন আৰু এই দুৰ্ভাগ্য আমাৰ মূৰত থাকিব, আমাৰ সকলোৰে এদিন ভাল দিন আহিব ।"

পত্নীৰ মাতত, উল্লাস আবেগ ভৰি উঠিছিল । সঁচাকৈয়ে আমাৰ সকলোকে চৰকাৰে নিজৰ মাটি আৰু ঘৰ সাজিবলৈ পইচা দিব? বুঝাবনে নিজৰ টিপিয়াই থকা চকু জোৰকৈ মেলি সুধিলে । "কেলেই নাপাব বাবা, যদি কোশীক্ষেত্ৰৰ বিধ্বস্ত লোকসকলে ক্ষতিপূৰণ পাই তেন্তে বাগমতীত বিধ্বস্ত লোকসকলেও ক্ষতিপূৰণ পাবই ।" শম্ভূৱে ক'লে । তাৰ মাত উৎসাহেৰে ভৰা আছিল । "এনে হ'লেতো আমাৰ সকলোৰে ভাগ্য খোল খাব, আমি সকলোৱে খেতিয়কৰ পৰা মজদুৰ ন'হলে ভিক্ষাৰী হৈ গ'লোঁ । দহ-এঘাৰ বছৰ কম নহয়, কোনো শাস্তি ভোগা, একো পাপ বা অপৰাধ নকৰাকৈ । এতিয়া আৰু এই দুখ বিপদৰ পৰা মুক্তি বিচাৰোঁ বাবা ।" ফটা গামোচাৰে মুখ মচি বুঝাৱনে কৈছিল । তেওঁৰ নীলা চকুত পানী ভৰি আহিছিল । হয়তো আনন্দ বা পাৰ হৈ যোৱা দুখৰ স্মৃতি সুঁৱৰি ।

ৰমেসৰে কিবা কোৱাৰ আগতেই তেওঁৰ লগত অহা মানুহকেইজনৰ এজনে ক'লে- 'আমি কোনো চৰকাৰী মানুহ নহয়, ৰীগা চেনিকলৰ কৰ্মচাৰীহে । এজন সম্বন্ধীয় লোক লগ পাবলৈ আহিছিলোঁ ইয়ালৈ, বহু সময়ৰ পৰা আপোনালোক আৰু ৰমেসৰৰ কথা শুনি আছিলোঁ । ৰমেসৰে একোকে নাজানে । যেতিয়া বাগমতীত পানী হৈছিল তেতিয়া চৰকাৰ বেলেগ আছিল । এতিয়া চৰকাৰ

বেলেগ, আপোনালোকক সংস্থাপিত কৰিবলৈ এই চৰকাৰৰ কোনো গৰজ পৰা নাই । আপোনালোকে এওঁৰ কথা নুশুনিব । এই চৰকাৰে আপোনালোকৰ প্ৰতি কোনো মনোযোগ নিদিয়ে ।”

“তেতিয়াহ’লে কোন চৰকাৰে আমাৰফালে মনোযোগ দিব বাছা ?” পত্নীয়ে হতাশাৰে সুধিলে । মাতটো তেওঁৰ ক্ষীণ যেন লাগিল । যেন হাজাৰফুট গভীৰ কুঁৱাৰ পৰা আহিছে ।

ভুনভুননি হঠাৎ স্তব্ধ হৈ গ’ল । চাৰিওফালে অন্ধকাৰে আৱৰি ধৰিলে । আশাহীনতাৰ গভীৰ অন্ধকাৰত ভগা বান্ধত দুৰ্ভগীয়া আৰু অনাথ লোকসকলৰ ভিৰ মিলি যাবলৈ ধৰিলে ।

## যোগাযোগৰ ঠিকনা :

**আশা প্ৰভাত**
কোট বজাৰ
সীতামঢ়ী, বিহাৰ

**ড° গায়ত্ৰী শৰ্মা**
সন্দিকৈ ছোৱালী মহাবিদ্যালয়
গুৱাহাটী, অসম